## চতুৰ্থ অধ্যায়

# কোচ-ৰাজবংশীসকলৰ লোকচিকিৎসাৰ সৈতে জড়িত লোকাচাৰ

# চতুৰ্থ অধ্যায়

## ৪.০০ কোচ-ৰাজবংশীসকলৰ লোকচিকিৎসাৰ সৈতে জড়িত লোকাচাৰ

সামাজিক লোকাচাৰৰ অন্তৰ্গত এক অন্যতম ভাগ হ'ল লোকঔষধ তথা লোকচিকিৎসা (Folk Medicine)। লোকচিকিৎসা বুলিলে সাধাৰণতে ৰোগ সম্পৰ্কীয় সকলো বিশ্বাস, ধ্যান-ধাৰণা, ৰীতি-নীতি আদিৰ লগতে ৰোগ বা ব্যাধি নিৰাময়ৰ বাবে গ্ৰহণ কৰা বিবিধ ব্যৱস্থা আৰু দ্ৰব্য তথা উপকৰণ এই সমস্ত দিশ সাঙুৰি লয়। অতীতৰে পৰা মানৰ সমাজত বেমাৰ বা ৰোগৰ পৰা পৰিত্ৰাণ তথা উপশম পাবলৈ বিভিন্ন ধৰণৰ থলুৱা চিকিৎসাৰ প্ৰচলন আছে। আমাৰ সমাজত পৰম্পৰাগতভাৱে এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ চলি অহা থলুৱা চিকিৎসা পদ্ধতিকে লোকচিকিৎসা বুলি কোৱা হয়।

বিংশ শতিকাৰ আৰম্ভণিতে নৃতত্ত্ববিদসকলে ক্ষেত্ৰ অধ্যয়নৰ জৰিয়তে বিভিন্ন জনগোষ্ঠীৰ মাজত চলি অহা এনে ধৰণৰ লোকচিকিৎসাৰ কথা পোহৰলৈ আনে। প্ৰখ্যাত ইংৰাজ চিকিৎসক আৰু নৃতত্ত্ববিদ W.H. Rivers এ ১৯২৮ চনতে পোন প্ৰথমে পৰম্পৰাগত চিকিৎসাৰ বিষয়ে চিন্তাচৰ্চা কৰে। লোকচিকিৎসা দুটা ভাগত ভগাব পাৰি-

১) প্ৰাকৃতিক লোক চিকিৎসা

২) যাদুবিদ্যাগত ধৰ্মীয় লোক চিকিৎসা

## ৪.০১ প্ৰাকৃতিক লোকচিকিৎসা ঃ

প্ৰাকৃতিক লোকচিকিৎসা মূলত বনৌষধিৰ দ্বাৰা কৰা চিকিৎসাক সামৰি লয়। গছ-গছনিৰ পাত, বাকলি, লতা-তৃণাদিৰ পাত, ফল-ফুল, শিপা, কাঁইট, জীৱ-জন্তুৰ ছাল আদিয়ে প্ৰাকৃতিক লোকচিকিৎসাৰ মূল উপাদান। প্ৰাকৃতিক লোকচিকিৎসা যুক্তিপূৰ্ণ ঔষধ বা ভেষজ ঔষধ বুলিও অভিহিত কৰা হয়। বিজ্ঞানসন্মত ঔষধ প্ৰস্তুতিত ভেষজ ঔষধৰ (Herbal Medicine) অৱদান নুই কৰিব নোৱাৰি। তুলসী পাতৰ ৰস মৌৰ লগত মিহলাই ভালে কফ, কাহ সম্পূৰ্ণৰূপে নিৰাময় হয়। ই এবিধ কফ নিঃসাৰক। ভেদাইলতাৰ ভেষজ গুণ সৰ্বজনবিদিত। বিভিন্ন প্ৰকাৰৰ বাতবিষ, গা-বুকুৰ বিষ আদিত ভেদাইলতাৰ ৰস; কেঁচুমুৰীয়া বেমাৰত ভেদাইলতাৰ শিপাৰ ৰস খালে সুফল পোৱা যায়। নয়নতৰা ফুলৰ পাতৰ ৰসৰ পৰা প্ৰস্তুত কৰা ক্বাথ বা কাহ, বহুমূত্ৰ ৰোগৰ এবিধ উৎকৃষ্ট দৰৱ। এনেদৰে আদা, হালধি, আমলখি, নিম, শিলিখা, অপৰাজিতা ফুল, পদিনা, বাহকতিতা আদি বিভিন্ন গছ-গছনি, লতা আদিৰ পাত, ফল-মূল, ডাল, শিপা আদিৰ দ্বাৰা প্ৰাকৃতিকভাৱে কৰা লোকচিকিৎসা পূৰ্বৰে পৰা প্ৰচলিত। বিভিন্ন প্ৰাকৃতিক সমলৰ পৰা প্ৰস্তুত কৰা ঔষধৰ প্ৰয়োগ অনুসৰি প্ৰাকৃতিক লোকচিকিৎসাক দুটা ভাগত ভাগ কৰিব পাৰিঃ-

১) খোৱা ঔষধ

২) নোখোৱা ঔষধ

খোৱা ঔষধবোৰ সাধাৰণতে গছ-গছনিৰ পাত, শিপা, ফল, ফুল আদি বিভিন্ন অংশৰ পৰা এককভাৱে বা কেইবাটাও মিহলি কৰি তৈয়াৰ কৰা হয়। অন্যহাতে, নোখোৱা ঔষধবোৰ সাধাৰণতে শৰীৰত ঘহাঁ, মালিচ কৰা, প্ৰলেপ দিয়া, মূৰত ভোৰণ দিয়া আদি ধৰণে প্ৰয়োগ কৰা হয়।

## ৪.০২ যাদুবিদ্যাগত ধৰ্মীয় লোকচিকিৎসা ঃ

যাদুবিদ্যাগত ধৰ্মীয় লোকচিকিৎসা বিশ্বাসনিষ্ঠ। আমাৰ পৰম্পৰাগত সমাজত যাদুবিদ্যাগত ধৰ্মীয় লোকচিকিৎসা অতীতৰে পৰা প্ৰচলন হৈ আহিছে আৰু বৰ্তমান সমাজতো বিদ্যমান। যাদু মন্ত্ৰ আদিৰ যদিও বৈজ্ঞানিকভাৱে বিশ্লেষণ আগবঢ়োৱা সম্ভৱ নহয় অথবা বহুতো লোকে চিকিৎসা নকৰে তথা বিশ্বাস কৰিবলৈ টান পায় তথাপিও এইবোৰৰ দ্বাৰা বিভিন্ন ৰোগৰ পৰা উপশম পোৱা দেখিবলৈ পোৱা যায়। এই লোকচিকিৎসাৰ ভিতৰত জৰা-ফুকা, তেল-জৰা, পানী-জৰা, ধান-

সৰিয়হ জৰা আদি অন্তৰ্ভৰ্ক্ত। ইয়াৰ উপৰিও কিবা হেৰালে ঠিকনা চোৱা, দীৰ্ঘদিনীয়া বেমাৰ ভাল নহলে ঠিকনা বা মংগল চোৱা আদিও এই লোকচিকিৎসাৰ ভিতৰুৱা।

কোনো এটা জাতি বা জনজাতিৰ লোকসংস্কৃতিৰ স্বৰূপ প্ৰকাশ পায় তেওঁলোকৰ লোকবিশ্বাস, লোকাচাৰ লোকসাহিত্যাদিত। কোচ-ৰাজবংশী জনগোষ্ঠীৰ মাজত প্ৰচলিত লোকবিশ্বাস, লোকাচাৰ আদিৰ জৰিয়তে কোচ-ৰাজবংশী লোকসংস্কৃতিৰ আভাস পোৱা যায়। লোকচিকিৎসা বা লোকঔষধৰ পৰিসীমাত বনৌষধিৰ লগতে মন্ত্ৰৰো ব্যৱহাৰ তাৎপৰ্যপূৰ্ণ ভাৱে মন কৰিবলগীয়া দিশ। অতীতৰেপৰা বৰ্ত্তমানলৈকে যিমানবোৰ মন্ত্ৰ আছে সেই সকলো দুটা শ্ৰেণীত ভগাব পাৰি।

১) শাস্ত্ৰীয় মন্ত্ৰ আৰু

২) লৌকিক মন্ত্ৰ

“বিষয়বস্তুৰ ফালৰ পৰা মন্ত্ৰবোৰক সাধাৰণতে তিনিভাগত ভগাব পাৰি-

১) আনুষ্ঠানিক

২) আভ্যুদয়িক আৰু

৩) আভিচাৰিক।

নিত্য নৈমিত্তিক যিবোৰ পূজা অৰ্চনা কৰা হয়- গৃহ দেৱতাৰ অৰাধনা, আৰতি আদি পূজাৰ মন্ত্ৰবোৰক আনুষ্ঠানিক বোলে।

দ্বিতীয়তে, আভ্যুদয়িক বা অভ্যুদয় সাধনৰ মন্ত্ৰবোৰ সাধাৰণতে আয়ুবৃদ্ধি, আৰোগ্য লাভ, শান্তি, শ্ৰীবৃদ্ধি, মৈত্ৰী লাভ আদিৰ লগত জড়িত।

তৃতীয়তে, আভিচাৰিক মন্ত্ৰবোৰ হ’ল শত্ৰু বা বিৰোধী শক্তিক নাশ কৰা মন্ত্ৰ।”[১]

লোকচিকিৎসা বিশেষকৈ প্ৰাকৃতিকভাৱে প্ৰাপ্ত বিভিন্ন সমলৰদ্বাৰা প্ৰস্তুত কৰা ঔষধ বা দৰবৰ দ্বাৰা কৰা চিকিৎসা। কোচ-ৰাজবংশী লোকসমাজত অতীতৰে পৰা এনে লোকচিকিৎসাৰ প্ৰচলন আছে। ৰাজবংশী ভাষাত লোক-ঔষধেৰে চিকিৎসা কৰা লোকসকলক ‘কবিৰাজ’, ‘ওঝা’ আদিৰে নামকৰণ কৰা হয়। কোচ-ৰাজবংশী সমাজত পুৰুষ মহিলা উভয়ে লোকচিকিৎসাৰ সৈতে জড়িত। বৰ্তমান সময়তো এনে লোকচিকিৎসাৰ স্থান বিশেষে কম বেছি পৰিমাণে প্ৰচলন আছে।

আমাৰ অধ্যায়টোত কোকৰাঝাৰ আৰু চিৰাং জিলাৰ কোচ-ৰাজবংশী লোকসমাজত প্ৰচলিত লোকঔষধ তথা লোকচিকিৎসা পদ্ধতিৰ আচাৰ নীতিবোৰ তলত আলোচনা কৰাৰ প্ৰয়াস কৰা হ'ল ঃ

## ৪.০৩ ভৰি মোচকা খোৱা ঃ

কেতিয়াবা খেলি থাকোঁতে, দৌৰোতে, খোজ কাঢ়োতে অথবা পিছলি পৰি হাত বা ভৰি মোচকা খায়। মোচকা খালে হাত বা ভৰিৰ বিষ হয়। এনে বিষৰ পৰা পৰিত্ৰাণ পাবৰ বাবে কোচ-ৰাজবংশী লোকসমাজত লোকচিকিৎসাৰ প্ৰচলন আছে। ইয়াত প্ৰধানকৈ ঔষধ হিচাপে 'ঝাৰণ' (জাৰি দিয়া) দিয়া হয়। ইয়াৰ বাবে 'যোগেশ্বৰী গছ' নামৰ এবিধ লতাজাতীয় গছৰ তিনিডাল আগ একেলগ কৰি ধৰি পূৱ মুখা হৈ একে উশাহতে ছিঙিব লাগে। তাৰ পিছত আগ তিনিডাল হাতৰ তালুৱাত লৈ অকণমান মুখৰ থুই দি মোহাৰি ৰস উলিয়াই সেই ৰসেৰে মোচকা খোৱা ঠাইখিনিৰ ওপৰৰ পৰা তললৈ নমাই জাৰিব লাগে। জৰাৰ সময়ত মন্ত্ৰ মতে এনেদৰে-

*"বিষ লাৰং বিষ ঝাৰং বিযুওৰ বিষ নাই আৰ*
*বিষ লাৰং বিষ ঝাৰং বিযুওৰ বিষ নাই আৰ।"*[২]

## ৪.০৪ ভগা হাড় যোৰা লগোৱা ঃ

বিভিন্ন কাৰণত সৰু ল'ৰা-ছোৱালী, ডেকা-গাভৰু, বুঢ়া-বুঢ়ী সকলৰ হাড় ভগা দেখা যায়। হাড় ভগাৰ ক্ষেত্ৰত কোচ-ৰাজবংশী লোকসমাজত অতীতৰেপৰা কিছু অভিজ্ঞ ব্যক্তিয়ে বনৌষধিৰ সহায়ত লোকচিকিৎসা কৰা দেখা যায়। এনে ব্যক্তিক কোচ-ৰাজবংশী সমাজত 'ওঝা' বা 'কবিৰাজ' বুলি কোৱা হয়।

হাড় ভাগিলে প্ৰথম অৱস্থাত হাড়ডাল টানি অলপ সমান কৰি মিলাই লোৱা হয়। তাৰ পিছত বিভিন্ন উপকৰণেৰে তৈয়াৰী এটি লেপন হাড় ভগা ঠাইত দি কাপোৰেৰ বেণ্ডেজ কৰা হয়। তাৰ পিছত বাঁহৰ কামিৰে এটা ফ্ৰেম বনাই বান্ধি দিয়া হয়। এই ফ্ৰেমটোক 'চেৰেন' বুলি কোৱা হয়। এনেদৰে বান্ধি দিয়াৰ পিছত গৰম দিনত হলে তিনি দিনত আৰু ঠাণ্ডাদিনত পাঁচদিন পৰ্যন্ত নোখোলাকৈ ৰখা হয়। নিৰ্দ্দিষ্ট দিনত খুলি সহ্য কৰিব পৰা গৰম পানীৰে দিনত তিনিবাৰকৈ ধুই চাফা কৰিব লাগে। ইয়াৰ পিছত ক্ৰমান্বয়ে ভাল হৈ আহিলে বিষ কমা ঔষধ লাগোৱা হয়।

বিভিন্ন উপকৰণেৰে এই ঔষধ প্ৰস্তুত কৰা হয়। এই উপকৰণসমূহ হৈছে-[৩]

১) হাড়যোৰা,

২) নলযোৰা

৩) বিষমানা

৪) বিষময়না

৫) গুল মৰিষ (জালুক) আঢ়াই টা

৬) আদা আঢ়াই চাকা

৭) ডাংনালেৰা

৮) পানী খক্‌চাৰ শিপা

এই উপকৰণসমূহ একেলগে বটি লৈ লেপ দিব লাগে।

এইখিনিতে উল্লেখযোগ্য যে একে ঔষধেৰে সৰু ল'ৰা-ছোৱালী, ডেকা-গাভৰু, বুঢ়া-বুঢ়ী সকলোৰে চিকিৎসা কৰা হয় যদিও বয়স অনুসৰি ঔষধৰ পৰিমাণ কম বেছি কৰা হয়। সৰু ল'ৰা ছোৱালীৰ আনুমানিক ১৫-২০ দিনত ভাল হয় আৰু প্ৰাপ্ত বয়স্কৰ হ'লে প্ৰায় তিনিমাহ মানত ভগা হাড় যোৰা লাগে বুলি বিশ্বাস কৰে।

কোচ-ৰাজবংশী লোকসমাজত থকা ওঝা বা কবিৰাজ বিশেষে প্ৰয়োগ কৰা বনৌষধিৰ ক্ষেত্ৰত কিছু পাৰ্থক্যও দেখা যায়। কিছুমান কবিৰাজে তলত দিয়া বনদৰৱসমূহ হাড়যোৰা লগোৱাত ব্যৱহাৰ কৰে-

১) চৰে ঠেঙা বন

২) চকু লেটেৰী

৩) কানিভিছা (দোৰোণ বন)

৪) লাল কায়চা (ৰঙা পুইশাক)

৫) সূৰ্য ভেটমালী।

## ৪.০৫ নাকদাৰা ভাঙা / নাকছিৰা ভাঙা ঃ

নাকদাৰা বা নাকছিৰা ভাঙা হ'ল নাকেৰে তেজ ওলোৱা ৰোগ। বিভিন্ন কাৰণত যেনে- খেলৰ সময়ত কেতিয়াবা দৌৰাৰ সময়ত উজুটি খাই পৰি নাকত দুখ পালে নাকেৰে তেজ বৈ আহে। ইয়াকে কোচ-ৰাজবংশী লোকসকলে নাকদাৰা বা নাকছিৰা ভাঙা বুলি কয়। এনে ৰোগ হ'লে কানিভিছাৰ (দোৰোণ বন) পাতৰ ৰস উলিয়াই নাকেৰে শুহিবলৈ দিয়া হয় আৰু এনে কৰিলে ইয়াৰ পৰা উপশম পাব পাৰি।

এইখিনিতে উল্লেখযোগ্য যে "*নাকছিৰা ভাঙা ৰোগ থকা লোকসকলে কুচীয়া মাছ খাব নালাগে, খালে বেছি হয় বুলি কোচ-ৰাজবংশী লোকসমাজত লোকবিশ্বাসৰ প্ৰচলন আছে।*"[৪]

## ৪.০৬ কৃমি ঃ

সাধাৰণতে শিশুৰপৰা আৰম্ভ কৰি প্ৰাপ্ত বয়স্ক লোকসকলৰো কৃমি হোৱা দেখা যায়। কৃমি হ'লে পেট কামোৰে, গুহ্যদ্বাৰত খজুৱায়, সৰু ল'ৰা ছোৱালীয়ে টোপনিত দাঁত কামুৰে, খিংখিঙীয়া স্বভাৱৰ হয়। শিশুসকলৰ অতিমাত্ৰা কৃমি হ'লে অস্বাভাৱিক আচৰণ কৰাও পৰিলক্ষিত হয়। কৃমি হ'লে কোচ-ৰাজবংশী লোক সকলে অতীতৰেপৰা কিছুমান বন-দৰৰ ব্যৱহাৰ কৰি এনে ৰোগ নিৰাময় কৰা দেখিবলৈ পোৱা যায়-

⇨ মাটিকঁঠাল / আনাৰসৰ কোমল পাতৰ ৰস উলিয়াই খালে কৃমি সহজে নাশ হয়।

⇨ নেমুৰ গুটি কেইটামান বটাত পিহি পানীৰ লগত মিহলাই খালেও এনে ৰোগৰ পৰা উপশম পোৱা যায়।

⇨ অমিতাৰ গুটি কেইটামান বটিলৈ অলপ পানীত মিহলাই খালে কৃমিৰ পৰা পৰিত্ৰাণ পাব পাৰি।

এনেদৰে কোচ ৰাজবংশী সমাজত প্ৰচলিত বিভিন্ন ধৰণেৰে ঘৰুৱা পদ্ধতিৰে কৃমি নাশ কৰিব পাৰি।

## ৪.০৭ গাল ফুলা (পিঠা উঠা) ঃ

কোচ-ৰাজবংশী লোকসমাজত গাল ফুলা বেমাৰক পিঠা উঠা বুলিও কয়। এনে বেমাৰ হ'লে গাল দুখন ফুলি উঠে, বিষায়। এনে বেমাৰ হ'লে চাউলৰ গুড়িৰ খোলাচাপৰি পিঠা বনাই

এখন এখনকৈ তিনিখনলৈকে ফুলি উঠা গালত সেক দিয়ে আৰু এনেদৰে এনে বিষৰ পৰা পৰিত্ৰাণ পোৱা বুলি বিশ্বাস কৰে।

কোচ-ৰাজবংশী জনসমাজত লোকবিশ্বাসৰ প্ৰচলন আছে যে সন্ধিয়া শিয়ালে হোৱা হোৱাকৈ কন্দাৰ সমযত মানুহেও যদি একে সময়তে মুখেৰে হোৱা হোৱা দিয়ে তেন্তে এনে গাল ফুলা বেমাৰ হয়।

## ৪.০৮ জুইয়ে পোৰা ঃ

কোনোবাই হঠাতে দেহৰ কোনো অংশ পুৰিলে পোৰা অংশত প্ৰথমতে নিমখ দি থয়। নিমখ দিয়াৰ কিছু সময়ৰ পিছতে জুইয়ে পোৰাৰ যি পোৰণি সেয়া কমি যায় আৰু ছালখনত জলা নুফুটে।

ইয়াৰ উপৰিও, কিন্তু কিছু অঞ্চলত পোৰা অংশত আলু থেতেলিয়াও লগাই দিয়ে। আলুৰে পোৰাণি কম সময়ৰ ভিতৰতে ঠাণ্ডা কৰে।

## ৪.০৯ দাঁতৰ বিষ ঃ

দাঁতৰ বিষ হ'লে কোচ-ৰাজবংশী লোকসকলে পুৰণি দিনৰেপৰা ঘৰুৱাভাৱে চিকিৎসা কৰি আহিছে। দাঁতৰ বিষৰ পৰা পৰিত্ৰাণ পাবৰ বাবে তলত দিয়া ধৰণেৰে প্ৰতিকাৰ কৰা হয়-

১) প্ৰথমতে কুহুমীয়া গৰম পানীৰে কুলি কৰি লৈ ক'লা তুলসীৰ পাত ৫-৬ টা ছিঙি হাতৰ তলুৱাত ভালদৰে মোহাৰি দাঁতৰ বিষ হৈ থকা ঠাইত কামুৰি অলপ সময় ৰাখিলে এনে বিষৰ পৰা আৰোগ্য পোৱা যায়।

২) ভেন্দা গছৰ (ভোট এৰা) ঠাৰিৰে দৈনিক দাঁত মঞ্জন কৰিলে দাঁতৰ সকলো ধৰণৰ সমস্যা দূৰ হয়।

৩) ভেঁটোমালী গছৰ ঠাৰিৰে দাঁত মঞ্জন কৰিলে দাঁতত হোৱা যিকোনো সমস্যাৰ পৰা নিৰাময় পাব পাৰি।

৪) নিয়মিতভাবে সেওৰা গছৰ ঠাৰি দাঁত মঞ্জনত ব্যৱহাৰ কৰিলেও এনে ৰোগৰ পৰা পৰিত্ৰাণ পাব পাৰি।

## ৪.১০ দাঁত লৰা ঃ

কেতিয়াবা দাঁতত আঘাত পাই দাঁত লৰিলে বাঁহৰ কুমলীয়া এচাৰি এডাল কাটি আনি তাত সঁৰিয়হৰ তেল লগাই জুইত গৰম কৰি লৰা দাঁতটোৰে কিছু সময় কামুৰি ধৰি থাকিব লাগে। এনেদৰে একেৰাহে তিনিদিন মান কৰিলে লৰা দাঁত বহি যায়।

## ৪.১১ পেটৰ চুবুনি ঃ

বিভিন্ন কাৰণত পেট চুবুনি হোৱা দেখা যায়। এনে চুবুনিৰ পৰা উপশম পাবৰ বাবে কোচ-ৰাজবংশী লোকসকলে ঘৰুৱা কিছু পথ্য ব্যৱহাৰ কৰে-

ক) পাতেগাজাৰ (দুপৰ টেঙা) পাত ৰাতিপুৱা খালিপেটত চোবাই খালে পেটৰ চুবুনিৰ পৰা পৰিত্ৰাণ পাব পাৰি।

খ) সৰু আৰু ডাঙৰ মানিমুনিৰ পাতৰ ৰস খালেও পেটৰ চুবুনি ভাল হয়।

## ৪.১২ বুকু জ্বলা পোৱা ঃ

বুকু জ্বলাপুৰা কৰিলে কোচ-ৰাজবংশী লোকসকলে 'গয়টা আলুৰ পেটা' আৰু আৰৈ চাউল এমুঠা ভালদৰে বটি লৈ তাৰ পৰা ৰস উলিয়াই লয়। এই ৰস ৩ দিনমান খালে বুকুৰ জ্বলা পোৱাৰ পৰা উপশম পাব পাৰি। একেখিনি পথ্য ব্যৱহাৰ কৰিলে প্ৰস্ৰাৱ জ্বলা পোৱা কৰাও ভাল হয়।

## ৪.১৩ মুখ বা জিভাৰ ঘাঁ ঃ

মুখ বা জিভাৰ ঘাঁ সচৰাচৰ দেখিবলৈ পোৱা এবিধ ৰোগ। মুখ বা জিভাত ঘাঁ হ'লে বিষ অনুভৱ হয়। বিষৰ বাবে খোৱা-বোৱাত অসুবিধা হয়, কিবা খালে ঘাঁত লাগিলে জ্বলন হয়, কথা পতাত অসুবিধা হয়। ইয়াৰ উপৰিও কেতিয়াবা মুখৰ পৰা দুৰ্গন্ধো ওলায় আৰু বিষৰ যন্ত্ৰণাত কেতিয়াবা জ্বৰ উঠাও দেখা যায়। এনে ৰোগ নিৰাময় কৰিবৰ বাবে কোচ- ৰাজবংশী লোকসকলে তলত দিয়া উপকৰণেৰে চিকিৎসা কৰা পৰিলক্ষিত হয়-

১) নিৰ্ভেজাল মৌ ৰস জিভা বা মুখৰ ঘাঁত একেৰাহে কেইদিনমান লগালে এই ৰোগ ভাল হয়।

২) সোনাৰু গছৰ ফলৰ গুটি উলিয়াই লৈ মুখৰ ঘাঁ হোৱা অংশত লগালে এই বিধ ৰোগৰ পৰা উপশম পোৱা যায়।

৩)	মধুৰি আম গছৰ কুমলীয়া পাত কেইখানমান ছিঙি লৈ ভালদৰে ধুই চোবাই চোবাই জিভাৰ ঘাঁ হোৱা আংশবোৰত লগাব লাগে। এনেদৰে পুৱা-গধূলি দুবাৰকৈ তিনি দিনমান কৰিলে মুখৰ ঘাঁবোৰ ভাল হয় বুলি বিশ্বাস কৰে।

৪)	পকা ধান জলকীয়া (সৰু জলকীয়া) পিটিকি জিভাৰ ঘাঁ হোৱা অংশত লগালে ভাল হয় বুলি বিশ্বাস কৰে।

## ৪.১৪ চৰ্দি ঃ

কোকৰাঝাৰ আৰু চিৰাং জিলাৰ কোচ-ৰাজবংশী লোক সকলে চৰ্দি হ'লে বিভিন্ন ঘৰুৱা সামগ্ৰীৰে চিকিৎসা কৰা পৰিলক্ষিত হয়। চৰ্দি হ'লে নাক সোপা মাৰি ধৰে, উশাহ লোৱাত অসুবিধা হয়, হাঁচি আহে, গল চৰচৰায়, কেতিয়াবা জ্বৰ, মূৰৰ বিষো হয়। সাধাৰণতে বতৰ পৰিৱৰ্তনৰ সময়ছোৱাত বা ধূলি-বালিৰ পৰিৱেশত থাকিলে, ঠাণ্ডা লাগিলে চৰ্দি হোৱা দেখা যায়।

কোচ-ৰাজবংশী লোকসকলে চৰ্দিৰ পৰা পৰিত্ৰাণ পাবৰ বাবে তলত দিয়া ধৰণেৰে চিকিৎসা কৰা দেখা যায়।

১)	এডাল কাঁহৰ বা ষ্টীলৰ কচলিত (খন্টি) খাটি সৰিয়হৰ তেলত অলপ কালজিৰা (ক'লাজিৰা), নহৰু কেইকোহামান বাকলি গুচাই লৈ জুইত উতলাই ঠাণ্ডা কৰি ৰাতি শুৱাৰ আগতে নাকেৰে আঙুলিৰ সহায়ত এনে তেল উজাব লাগে। ইয়াৰ লগতে গল, বুকু, পিঠি, হাত, ভৰিৰ তলুৱা সেই তেলখিনি লগাই মালিছ কৰিব লাগে।

২)	ৰাতিপুৱা ক'লা তুলসীৰ পাত ৬ টামান ছিঙি লৈ খাটি মৌৰ লগত চোবাই খাব লাগে। কেইদিনমান এনেকৈ খালে চৰ্দি ভাল হয় বুলি কোচ-ৰাজবংশী লোকসকলে বিশ্বাস কৰে।

৩)	৬ টা ৰাম তুলসীৰ পাত, ৬ টা ক'লা তুলসীৰ পাত, আদা ৪ চকল থেতেলিয়াই মৌৰ সৈতে মিহলাই কুহুমীয়া গৰম কৰি খাব লাগে।

৪)	কৰ্দৈ টেঙা জুইত পুৰি ধান জলকীয়া (সৰু জলকীয়া)ৰ লগত মিহলাই পিটিকা বনাই ভাতৰ লগত খালে ভিতৰত থকা কফ বাহিৰ হয় আৰু চৰ্দিৰ পৰা আৰোগ্য পোৱা যায়।

৫)	কৰ্দৈ টেঙা আৰু গুৰ মিঠাই একেলগে ভাজি কৰি খালেও চৰ্দিৰ পৰা নিৰাময় পাব পাৰি। এনেদৰে বিভিন্ন ঘৰুৱা বিধানেৰে কোচ- ৰাজবংশী লোকসকলে অতীতৰে পৰা চৰ্দিৰ পৰা আৰোগ্য লাভ কৰি আহিছে।

## ৪.১৫ কাহ ঃ

কোচ-ৰাজবংশী লোকসকলে কাহ হ'লে বিভিন্ন ঘৰুৱা বিধানেৰে চিকিৎসা কৰি নিৰাময় কৰা পৰিলক্ষিত হয়। কাহ বেছি হ'লে মাত ভাঙে, গল বিষায়, বুকু পিঠিত বিষ হয়। কোচ-ৰাজবংশী লোকসকলে কাহ নিৰাময় কৰিবৰ বাবে লোকঔষধ হিচাপে তলত দিয়া উপকৰণসমূহ ব্যৱহাৰ কৰে-

১)	ৰাম তুলসীৰ পাত ১৫ টা মান, ক'লা তুলসী পাত ২০ টা মান, আদা আৰু কেঁচা হালধি ৫-৬ চকলমান সম পৰিমাণৰ, জালুক ১৬ টা মান একেলগে পিহি লৈ ৰসখিনি মৌৰ লগত মিহলাই কুহুমীয়া গৰম কৰি নিতৌ দুবাৰ কৈ একেৰাহে কেইদিন খালে কাহ সম্পূৰ্ণৰূপে ভাল হয় বুলি বিশ্বাস কৰে।

২)	ক'লা আৰু বগা বাস্‌কা তিতাৰ (বাহক তিতা) ৮-৯ খনমান পাত আধা লিটাৰ পানীত উতলাই শুকুৱাই পানীখিনি আধা কৰি মৌ ৰসৰ লগত মিহলাই খালে কাহৰ পৰা উপশম পোৱা যায়।

৩)	অমিতা গছৰ শিপা, চন্তা গছৰ শিপা, ভেকুৰী তিতাৰ শিপা, শ্যাম কচুৰ আলু, ২০ টা মান পিপিলি, ২০ টা মান জালুক, মন ঘামাৰীৰ আলু আৰু ধান জলকীয়া কেইটামান বটি বৰি বনাই ৰ'দত শুকুৱাই লৈ কেইদিনমান খালে কাহৰ পৰা নিৰাময় পাব পাৰি।

এনেদৰে কোচ-ৰাজবংশী লোকসকলে বিভিন্ন ঘৰুৱা পদ্ধতিৰে কাহৰ চিকিৎসা কৰা দেখা যায়।

## ৪.১৬ কটা ছিঙা ঃ

কেতিয়াবা হঠাতে হাত ভৰি বা শৰীৰৰ কোনো অংশত কটা ছিঙা হ'লে কোচ-ৰাজবংশী লোকসকলে তলত দিয়া উপকৰণৰদ্বাৰা আৰোগ্য লাভ কৰা দেখা যায়।

১)	বিষহৰি বনৰ পাত মোহাৰি ৰস উলিয়াই কটা অংশত লগাই বান্ধি থ'ব লাগে। এনে

করিলে তেজ ওলোৱা বন্ধ হয় আৰু বিষখিনিও নাইকিয়া কৰে বুলি বিশ্বাস কৰে।

২) দোৰোণ বন, নাৰ্জী ফুলৰ পাত, জাৰ্মানী বনৰ (চৰুৱা বন) পাত, তুলসীৰ পাত আদি মোহাৰি ৰস উলিয়াই কটা অংশত লগালে তেজ ওলোৱা বন্ধ হয় আৰু সোনকালে উপশম হয়।

## ৪.১৭ ফোঁহা উঠা ঃ

কোচ-ৰাজবংশী লোকসকলে ফোঁহা উঠাক ফোট উঠা বুলি কয়। যদি ফোঁহাটো সোনকালে পকা নাই তেন্তে তেওঁলোকে পাৰ চৰাইৰ কেঁচা মল নাইবা শুকান মলো অলপ পানীত তিয়াই নৰম কৰি ফোঁহাটোৰ চাৰিওফালে লেপ দি থয়। প্ৰায় আধাঘন্টা বা এঘন্টাৰ ভিতৰত গৰমতে ফোঁহাটো পকি যায়। তেতিয়া টিপি দিলে ভিতৰৰ লেতেৰা তেজ-পুজ ওলাই আহে। এনেদৰে কোচ-ৰাজবংশী লোকসকলে ফোঁহাৰ পৰা উপশম পায় বুলি বিশ্বাস কৰে।

## ৪.১৮ দাৰা ধৰা ঃ

শিশুৰ ক্ষেত্ৰত সচৰাচৰ দেখিবলৈ পোৱা বেমাৰ হ'ল 'দাৰা ধৰা'। এনে বেমাৰ হ'লে শিশুটিৰ জ্বৰ, বমি, পায়খানা, পেটফুলা আদি হয়। এনে ৰোগৰ ওঝা বা কবিৰাজে 'কাচিনী' (জাপ) দিয়ে। 'কাচিনী' বনোৱাৰ বাবে ক'লা সূতাৰ প্ৰয়োজন হয় লগতে কেঁচুৱাটি ল'ৰা হ'লে ৯ গুণা আৰু ছোৱালী হ'লে ৭ গুণা সূতা বান্ধিব লাগে। ইয়াৰোপৰি, 'দুধ লেৰা' গছৰ লেৰা ছিঙি আনি একে উশাহতে শিশুটিৰ গাত বান্ধি দিব লাগে। শিশুৰ এনে ৰোগৰ পৰা উপশম পাবলৈ খোৱা ঔষধো ব্যৱহাৰ কৰা হয় আৰু ইয়াৰ বাবে প্ৰয়োজন হয় ওঠৰ প্ৰকাৰৰ মছলা। এই বোৰ হ'ল-[৫]

১) মহাৱলী বচ

২) পাণপেপুল

৩) মিথি

৪) কালজিৰা

৫) সোণাপাতা

৬) গুৱাকুচি

৭)	গখৰ

৮)	জিৰা

৯)	গুলমৰিষ

১০)	লং

১১)	ইলাচী (সৰুজাত / ডাঙৰজাত)

১২)	মকৰধ্বজ

১৩)	ছিংৰিপ

১৪)	ৰচামানিক

১৫)	ৰচাসেন্দূৰ

১৬)	দালচিনি

১৭)	বচ

১৮)	তুলসীৰ ৰস

এইখিনিতে উল্লেখযোগ্য যে শিশুৰ হোৱা 'দাৰা ধৰা' ৰোগৰ সম্পূৰ্ণৰূপে নিঃশেষ কৰিবলৈ উক্ত ওঠৰ প্ৰকাৰ মছলাৰ লগত ওঠৰটা তেলপোকা, বাদুলীৰ কেঁচা মাংস আদি ভাজি ১ লিটাৰ পানীত উতলাই ১/২ লিটাৰ কৰি সেই পানী ঠাণ্ডা কৰি খুৱাব লাগে।

## ৪.১৯ দুধধাই ঃ

শিশুৰ ক্ষেত্ৰত দেখিবলৈ পোৱা আন এবিধ ৰোগ হ'ল - 'দুধধাই'। এনে ৰোগৰো চিকিৎসা কোচ-ৰাজবংশীসকলৰ মাজত প্ৰচলিত। খোৱা ঔষধেৰে এনে ৰোগৰ পৰা উপশম পাব পাৰি আৰু ইয়াৰ বাবে প্ৰয়োজনীয় উপকৰণবোৰ হ'ল- 'জাবাৰং', 'ভুটীয়া জাবাৰং', 'কফচেনি', দালচিনি, অৰ্জুন গছৰ ছাল, মকৰধ্বজ আদি খুন্দি মিহি কৰি চালনীত চালি সেই গুড়িখিনিৰ লগত তুলসী পাতৰ ৰসৰ লগত মিহলাই কেঁচুৱাটিক খুওৱা হয়।

## ৪.২০ কান্দনীয়া ঃ

শিশুসকলৰ মাজত দেখিবলৈ পোৱা আন এবিধ ৰোগ। কান্দনীয়া দুই প্ৰকাৰৰ- এটা ছোট কান্দনীয়া আৰু এটা বৰ কান্দনীয়া। দুয়োটা কান্দনীয়াতে শিশুটি কান্দি থাকে কিন্তু চকুপানী

নোলায়; অস্থিৰ হৈ থাকে। কান্দনীয়া হ'লে শিশুটিক 'কাচিনী' আৰু 'তাবিছ' পিন্ধোৱা হয়। কাচিনী পিন্ধোৱাৰ ক্ষেত্ৰত ৰঙা, বগা, ক'লা ৰঙৰ সূতাৰ প্ৰয়োজন হয় আৰু শিশুটি ল'ৰা হ'লে ৯ গুণা সূতা গাঁঠি গলত আৰু ছোৱালী হ'লে ৭ গুণা সূতা গাঁঠি বাওঁহাতত পিন্ধোৱা হয়। 'তাবিছ' বনোৱাৰ ক্ষেত্ৰত প্ৰয়োজন হোৱা বস্তুবিলাক হ'ল-[৬]

১) যঁতৰৰ দৰি (জৰী)

২) গছৰ অলংকাৰ

৩) ৰেংৰেঙা পোক

৪) বহাগ মাহৰ ছুৰা ফেলা বাণী।

## ৪.২১ আকাশ মাতৃ বা বান্দৰ পয়া লগা ঃ

শিশুৰ ক্ষেত্ৰত পৰিলক্ষিত হোৱা আন এক বেমাৰ হ'ল আকাশ মাতৃ বান্দৰ পয়া লগা। এনে বেমাৰৰ লক্ষণ হ'ল কেঁচুৰাটি ওপৰৰ পিনে চাই থাকে, খীনায়। এই ৰোগ বেছি হ'লে শিশুটিৰ মৃত্যুও হ'ব পাৰে। এনে ৰোগৰ পৰা উপশম পাবলৈ মূৰত ভোৰণ লগায়। ভোৰণটো তৈয়াৰ কৰিবলৈ প্ৰয়োজনীয় উপকৰণবোৰ হ'ল-[৭]

১) আইচালি বন

২) ক'লা তুলসীৰ পাত

৩) মাটিয়া নৰসিংহ

৪) তিনিচৰিয়া বন

৫) বচ এটুকুৰা

এই উপকৰণ বোৰ ভালদৰে পিহি লৈ মূৰত ভোৰণ দিয়া হয়। ইয়াৰোপৰি, 'ভইসেৰ লেটি', 'ধাৰাৰ লেটি', 'কাকোঁৰেৰ লেটি' আদি লাটা বান্ধি কেঁচুৰাটিক গলত মালা পিন্ধোৱা হয়।

## ৪.২২ কায়া লগা আৰু বান্দৰ ছালতাই লগা ঃ

কায়া লগা আৰু বান্দৰ ছালতাই লগা শিশুৰ ক্ষেত্ৰত হোৱা আন এক প্ৰকাৰৰ ৰোগ। এনে ৰোগ হ'লে শিশুটিৰ মুখৰ অৱয়ব বান্দৰৰ দৰে হয়, হাত ভৰি সৰু হয়। এনে ৰোগৰ ক্ষেত্ৰত

কেৰল মন্ত্ৰৰে তিনিদিন জাৰি এটা তাবিছ পিন্ধিবলৈ দিয়ে। এনে হ'লে মাকে পোৰা মাছ খাব নেলাগে বুলি লোকবিশ্বাস আছে।

## ৪.২৩ খেছেৰা উঠা বা আই উঠা ঃ

খেছেৰা উঠা বা আই উঠা আন এক বেমাৰ। এই ৰোগক বসন্ত ৰোগ বুলি কয়। এনে ৰোগ হ'লে কিছু নীতি-নিয়ম মানিব লাগে। কেঁচুৱাৰ এই ৰোগ হ'লে 'চুতিকাটা' (শুদ্ধিকৰণ) পানী কেচুৱাটিক খুওৱাৰ লগতে ঘৰতো সেই পানী ছটিয়াব লাগে। তিনিদিন নিৰামিষ আহাৰ গ্ৰহণ কৰিব লাগে। মাছ, মাংস, কণী আদি আমিষ আহাৰ গ্ৰহণ কৰা নিষেধ। সোনকালে এনে ৰোগৰ পৰা উপশম পাবলৈ নীলকণ্ঠ তিতা বটি নাৰিকল তেলত মিহলাই আই উঠা ঠাইত পাৰ চৰাইৰ পাখিৰে লগোৱা হয়। তিনিদিন পাছত বাহক তিতা, নিমপাত, বেলৰ পাত আদি পানীত উতলাই ঠাণ্ডা কৰি খোৱাব লাগে।

## ৪.২৪ ডাবা (হাপানী) ঃ

'ডাবা' ৰোগ শিশুক ক্ষেত্ৰত দেখা পোৱা এক অন্যতম ৰোগ। এনে ৰোগ হ'লে কালজিৰা, ভোগজিৰা, মহাভৃগুৰাজৰ পাত, নহৰু আদি থেতেলি লৈ মিঠাতেলত গৰম কৰি ঠাণ্ডা কৰি শিশুটিৰ নাকৰ বিন্ধাত লগাই দিয়ে। ইয়াৰোপৰি, খোৱা ঔষধৰো ব্যৱহাৰ কৰা হয়। খোৱা ঔষধৰ বাবে বড়ি বনাই এটা বড়িকে দিনত তিনিবাৰ খুৱায়। এনে বড়ি বনোৱাৰ বাবে প্ৰয়োজনীয় উপকৰণবোৰ হ'ল-[৮]

১) ফুটা কাটিৰী ৩ টা

২) এউলাবন ২১ ডাল

৩) বিষমাত্ত তিতা

৪) বিষ ময়না কাটা ২১ ডাল

৫) বগৰী কাটা ২১ ডাল

৬) কইনাল কাটা ২১ ডাল

৭) ধজীৰ মাথা ২১ টা

৮) ডাৰচা বনৰ ছিয়া

৯)	একথুপা বৰ হেচাৰিৰ ছিয়াঁ

১০)	বাংকুৰাৰ কাটা ৩ কেখেৰা

১১)	খাপৰ ২ কেখেৰা

১২)	ধেনু তীৰৰ ৩ কেখেৰা

## ৪.২৫ কাওৰ লাগা (জণ্ডিচ) ঃ

'কাওৰ লাগা' বেমাৰ ডাঙৰৰ লগতে শিশুৰো হোৱা দেখা যায়। এনে বেমাৰ প্ৰতিকাৰৰূপে খোৱা ঔষধ দিয়াৰ লগতে ভোৰণ দিয়ে আৰু পিন্ধিবলৈ মালা দিয়ে। শিশুটিৰ মূৰত ভোৰণ দিয়াৰ বাবে 'মাটিভিছাৰ পাত', 'ডিংডিঙাৰ চামৰা', 'পাতবাহা পখীৰ পাখা', কুসুম ফুল আদি সামগ্ৰী বটি লৈ ভোৰণটো প্ৰস্তুত কৰা হয়। খোৱা ঔষধৰ বাবে প্ৰয়োজনীয় সামগ্ৰী হ'ল বাহক তিতাৰ আগ। এই তিতাৰ আগ ছিঙাৰ সময়ত তিনিজনী সৰু ছোৱালীৰ নাম লৈ ছিঙিব লাগে। ইয়াৰোপৰি, 'বৈৰালি গছৰ শিপা', 'মাটকটকা' 'দেৰিহালি গছ' ঘঁহি তাৰ পৰা ওলোৱা গুড়ি আদি সামগ্ৰী টোপোলা বান্ধি তৈয়াৰ কৰা মালা পিন্ধোৱা হয়।

## ৪.২৬ খৰ / দাদু / খুজালি (খজুৰতি) ঃ

খৰ হ'ল এবিধ ছালৰ ৰোগ। বিভিন্ন কাৰণ যেনে- অপৰিষ্কাৰ কাপোৰ পিন্ধা, গাৰ ছাল লেতেৰা কৰি ৰখা, তিতা কাপোৰ পিন্ধা আদি কাৰণত ছালত এনে ৰোগ হোৱা দেখা যায়। এনে ৰোগ হ'লে ছালত খজুৰাই খজুৰাই ৰঙা পৰে, আঠাজাতীয় পানী ওলায় আৰু ক্ৰমান্বয়ে গোলাকাৰ আকৃতিত বাঢ়ি যায়। কোকৰাঝাৰ জিলাৰ কালীপুখুৰী অঞ্চলৰ কোচ-ৰাজবংশী লোকসকলে চুৰাপাতনিৰ ভাতৰ লগত তুলসী পাতৰ ৰস মিহলাই খৰ হোৱা ঠাইত লগাই দিয়ে।

ইয়াৰ উপৰিও কিছু অঞ্চলত তুলসীৰ পাত আৰু নিমখ হাতৰ তলুৱাত মোহাৰি খজুৰতি হোৱা ঠাইত ঘঁহি দিয়ে।

তদুপৰি নহৰু কেইফোটা বটি খৰ হোৱা ঠাইত লগালেও খব ভাল হয় বুলি কোচ-ৰাজবংশী লোকসকলে বিশ্বাস কৰে।

এনেদৰে বিভিন্ন ঘৰুৱা পদ্ধতিৰে কোচ-ৰাজবংশী লোকসকলে খৰ বা খজুৰতি দৰে ছালৰ ৰোগ নিৰাময় কৰা দেখা যায়।

## ৪.২৭ কাণ পকা ঃ

কেতিয়াবা কাণৰ ভিতৰত পানী সোমাই নোলালে অথবা কাণ অপৰিষ্কাৰ কৰি ৰাখিলে নানা বীজাণুৰ দ্বাৰা ফোঁহা হয় আৰু সেই ফোঁহা পকি তাৰ পৰা তেজ-পূজ ওলায়, তাকে কাণ পকা বুলি কোৱা হয়। এনে হ'লে কাণৰ বিষ হয়, কাণেৰে কম শুনে আৰু ভালদৰে চিকিৎসা নকৰিলে ব্যক্তিগৰাকী কলাও হ'ব পাৰে। কাণ পকিলে কোচ-ৰাজবংশী লোকসকলে কিছুমান ঘৰুৱা চিকিৎসাৰ সহায় লয়। উদাহৰণ স্বৰূপে-

ক) তিতা কেৰেলাৰ পাত মোহাৰি পাতল কাপোৰত লৈ চেপি দুইটোপালমান ৰস কাণত দিব লাগে।

খ) দুপৰ টেঙাৰ পাতৰ ৰস উলিয়াই কাণত দিলে এনে ৰোগৰপৰা উপশম পাব পাৰি।

গ) পানী লাউৰ গছ কাটিলে তাৰ পৰা পানী ওলায় আৰু এনে পানী কাঁচৰ বটলত দীৰ্ঘদিনলৈ সংৰক্ষণ কৰি ৰাখিব পাৰি। কাণ পকিলে এনে লাউ গছৰ পানী দিলে কাণ পকা ভাল হয় বুলি কোচ-ৰাজবংশী লোকসকলে বিশ্বাস কৰে।

ঘ) এৰি পলুৰ পেচাব দুটোপালমান কাণত দিলে কাণৰ বিষ কমে বুলি বিশ্বাস কৰে।

## ৪.২৮ কটা - ছিঙা ঃ

বিভিন্ন কাৰণত কেতিয়াবা হঠাতে মানুহৰ গাৰ কোনো অংশত কটা ছিঙা হ'লে কোচ-ৰাজবংশী লোকসকলে কিছুমান বন দৰৱৰ দ্বাৰা ইয়াৰ পৰা উপশম পোৱা দেখা যায়। উদাহৰণ স্বৰূপে-

ক) বিষহৰি বনৰ পাত মোহাৰি ৰস উলিয়াই কটা অংশত লগাই বান্ধি থ'ব লাগে। এনে কৰিলে সোনকালে তেজ বন্ধ হয় আৰু বিষ কমি যায়।

খ) কানহিছা (দোৰোণ) বন মোহাৰি কটা অংশত লগাই বান্ধি থ'লে কটা-ছিঙা সোনকালে ভাল হৈ যায়।

গ) নাৰ্জী ফুলৰ পাত, জাৰ্মানী (চৰুৱা) বনৰ পাত অথবা তুলসীৰ পাত আদিও মোহাৰি কটা অংশত লগালে তেজ ওলোৱা বন্ধ হয় আৰু বিষৰ পৰাও উপশম পোৱা যায়।

## ৪.২৯ চুলি টকৌৰে খোৱা ঃ

টকৌৰে খোৱা চুলিত হোৱা এবিধ ৰোগ। এনে ৰোগ হ'লে চুলিৰ গুৰিত খজুৱায় আৰু কোচাই কোচাই চুলি সৰে। এবিধ ক্ষুদ্ৰ বীজাণু চুলিৰ গুৰিত কুটি দিয়ে বাবে চুলিখিনি গোলাকাৰ আকৃতিত সৰি যায় আৰু ক্ৰমান্বয়ে আকৃতি ডাঙৰ হৈ গৈ থাকে। সঠিক সময়ত চিকিৎসা নকৰিলে মূৰৰ চুলি সৰি গোটেই নোহোৱা হৈ যায়। কোচ-ৰাজবংশী লোকসমাজত অতীতৰেপৰা ঘৰুৱাভাৱে চিকিৎসা কৰি এনে ৰোগ নিৰাময় কৰা দেখা যায়। ইয়াৰ বাবে কেতবোৰ উপকৰণ যেনে-[১]

ক) নহৰু কেইটামান আৰু আদা কেইচকল মান বটি লৈ ৰসখিনি টকৌৰে খোৱা ঠাইত লগালে অতি সোনকালে চুলি গজে।

খ) হাতীৰ দাঁত পুৰি ছাইখিনিত তিলৰ তেল মিহলাই লগালেও এনে ৰোগৰ পৰা পৰিত্ৰাণ পাব পাৰি।

গ) ধতুৰা ফুলৰ পাতৰ ৰস লগালেও টকৌৰে খোৱা ৰোগ ভাল হয় আৰু চুলি গজে।

ঘ) মহাভৃংগৰাজৰ পাত বটি লৈ তিলৰ তেলৰ লগত মিহলি কৰি লগালেও এনে ৰোগ নিৰাময় হয়।

ঙ) শেৱালী ফুলৰ গুটি ভালদৰে বটি লৈ লগালে টকৌৰে খোৱা ৰোগ সোনকালে নিৰাময় হয়।

ঘৰুৱা ভাৱে চিকিৎসা কৰাৰ বাবে খোৱা খাদ্যৰ ক্ষেত্ৰতো কিছু বাধা-বাধকতা আছে। যেনে- ডাঙৰ মাছ, পুঠি মাছ, মাংস, কণী, খাৰ, টেঙা আদি খাবলৈ দিয়া নহয়। ইয়াৰ বাহিৰে তিতা জাতীয় খাদ্য, পিয়াজ, নহৰু, আদা, যষ্টিমধু আদি খোৱাটো উপকাৰী। তদুপৰি এনে ৰোগ হ'লে চিকিৎসকৰ পৰামৰ্শ অবিহনে যধেমধে বৰ্তমান সময়ত বজাৰত উপলব্ধ বিভিন্ন কোম্পানীৰ চেম্পু, তেল, চাবোন আদি ব্যৱহাৰ কৰিব নালাগে। এনেধৰণৰ সাৱধানতা অৱলম্বন কৰিলে টকৌৰে খোৱা ৰোগৰ পৰা সোনকালে উপশম পাব পাৰি।

## ৪.৩০ ভৰিৰ তলুৱা ফটা ঃ

ভৰিৰ তলুৱা ফটা এবিধ ছালৰ ৰোগ বুলি ক'ব পাৰি। ভৰিৰ গোৰোহা ফটা আৰু ভৰিৰ তলুৱা ফটাৰ মাজত কিছু পাৰ্থক্য দেখা যায়। গোৰোহা ফটাটো গৰম দিনত ভৰি ঘামিলে নিজে

নিজে কমি যায় কিন্তু ভৰিৰ তলুৱা ফটাটো নিজে নিজে কমি নাযায়। ভৰিৰ তলুৱা ফটাৰ ফলত ফটাবোৰেদি তেজ ওলায়। পানী লাগিলে জ্বলা পোৱা কৰে, খোজকঢ়াত অসুবিধা হয়। এনে ৰোগ হ'লে কোচ-ৰাজবংশী লোকসমাজত বিভিন্ন ধৰণৰ লোক চিকিৎসা প্ৰচলন আছে। সেইবোৰ হ'ল-

শ্বতমূলৰ গছৰ শিপা, মাটিৰ কুঁৰা পাতৰ ভঙা এটুকুৰা, আমৰ গুটিৰ মাজৰ অংশ, গাখীৰৰ সৰ আদি একেলগে এটা প্ৰলেপ তৈয়াৰ কৰি ভৰিৰ তলুৱাত লগাই মালিচ কৰিব লাগে। এনেদৰে কিছুদিন লগালে ভৰিৰ তলুৱা ফটা ৰোগৰপৰা আৰোগ্য লাভ কৰিব পাৰি।

ভৰিৰ তলুৱা ফটা ৰোগ নিৰাময়ৰ বাবে শিয়ালৰ তেজ লগালে ভাল হয় বুলি কোচ ৰাজবংশী লোকসমাজত অতীতৰে পৰা এক লোকবিশ্বাসৰ প্ৰচলন আছে।[১০]

ইয়াৰোপৰি দুৰ্গা পূজাৰ সময়ত দুৰ্গাৰ দেৱীৰ বলি দিয়া ম'হৰ তেজ লগালেও ভৰিৰ তলুৱা ফটা ৰোগৰ পৰা উপশম পোৱা যায় বুলি কোচ ৰাজবংশী সমাজত পূৰ্বৰেপৰা প্ৰচলন হৈ আহিছে।[১১]

## ৪.৩১ জ্বৰ ঃ

কোচ-ৰাজবংশী লোকসকলে জ্বৰ উঠিলেও ঘৰুৱাভাৱে চিকিৎসা গ্ৰহণ কৰা দেখা যায়। ঘৰুৱা বিভিন্ন উপকৰণেৰে জ্বৰৰ পৰা আৰোগ্য পাব পাৰি-

ক'লা আৰু বগা বাস্‌ক তিতাৰ (বাহক তিতা) কেইখিলা মান পাত আধা লিটাৰ পানীত উতলাই পানীখিনি আধা কৰি মৌ ৰসৰ লগত মিহলাই খালে জ্বৰৰ পৰা উপশম পাব পাৰি।

*"আদা ৫০ গ্ৰাম, হালধি ৫০ গ্ৰাম, জালুক ৩০ টা, ক'লা তুলসী ১০০ খন, ৰাম তুলসী ৫০ খন, বগা তুলসী ১০০ খন শগুণী লতা ১২ ইঞ্চি আৰু ৬ খন নিমপাত আদি থেতেলিয়াই ২ লিটাৰ পানীত উতলাই আধা কৰি দুবেলাকৈ ডাঙৰ মানুহ হ'লে আধাকাপ আৰু সৰু ল'ৰা ছোৱালী হ'লে চামুচকৈ খুৱালে জ্বৰ ভাল হয় বুলি কোচ-ৰাজবংশী লোকসকলে বিশ্বাস কৰে।"*[১২]

ইয়াৰোপৰি, সৰু-ল'ৰা-ছোৱালীৰ ক্ষেত্ৰত কম পৰিমাণৰ জ্বৰ উঠিলে তুলসী আৰু হালধিৰ ৰস এক চামুচ গৰম কৰি মৌৰসৰ লগত খালে জ্বৰৰ পৰা আৰোগ্য লাভ কৰিব পাৰি।

## ৪.৩২ আগ কপালীয়া বিষ (আদ কাপালি) ঃ

আগ কপালীয়া বিষত কপালৰ আগভাগখিনি বেছিকৈ বিষাই থাকে। এনে বিষৰপৰা পৰিত্ৰাণ পাবলৈ কোচ-ৰাজবংশী লোকসকলে কপালত লেপ দিয়ে আৰু এনে লেপ তৈয়াৰ কৰাৰ বাবে প্ৰয়োজনীয় উপকৰণসমূহ হৈছে - ঘোৰাচন্তাৰ শিপা, ভীমকলৰ শিপা, হালিম আদি পিহি তৈয়াৰ কৰা হয়।

## ৪.৩৩ সন্তান জন্মৰ পিছত মাকৰ গাখীৰ নোলোৱা ঃ

সন্তান জন্ম হোৱাৰ পিছত কেতিয়াবা কিছুমান মাকৰ স্তনৰ পৰা গাখীৰ নোলায় বা গাখীৰ নোহোৱা হয়। কোচ- ৰাজবংশী লোকসমাজত অতীতৰেপৰা এনে ধৰণৰ ৰোগৰো ঘৰুৱা চিকিৎসা কৰা দেখা যায়। ইয়াৰ বাবে প্ৰয়োজন হয়-[১৩]

- দুদানি বনৰ আগ ৯ টা
- বগা ছেৰাৰ আঠা (ডাঙৰ কেঁচুৰ আঠা)

এই দুবিধ উপকৰণ ভালদৰে পিহি মিশ্ৰণ তৈয়াৰ কৰি মাকক খুওৱা হয়। এনে কৰিলে মাকৰ স্তনৰ পৰা গাখীৰ ওলোৱা আৰম্ভ হয় বুলি বিশ্বাস কৰে।

ইয়াৰোপৰি, তিলেৰে বিভিন্ন ব্যঞ্জন ৰান্ধি মাকক খাবলৈ দিয়া হয়। এনে কৰিলেও মাকৰ গাখীৰ ওলায়।

## ৪.৩৪ গৰু-ছাগলীৰ গাত পোক ধৰা ঃ

কোচ-ৰাজবংশী লোকসমাজত মানুহৰ হোৱা ৰোগৰ ঘৰুৱাভাৱে চিকিৎসা কৰাৰ লগতে ঘৰৰ পোহনীয়া জীৱ জন্তুৰ হোৱা ৰোগৰো ঘৰুৱা চিকিৎসা প্ৰচলন হৈ আহিছে।

কেতিয়াবা বিভিন্ন কাৰণত আঘাত পাই গৰু-ছাগলীৰ দেহৰ পৰা তেজ ওলায়; তেজখিনি ভালদৰে চাফা নকৰিলে তাতে মাখিয়ে কণী পাৰে আৰু মাখিৰ কণীৰপৰা পোক হৈ ঠাইখিনিত গাত বনাই ভিতৰে ভিতৰে পোকবোৰ খাই গৈ থাকে। এই পোকে ধৰা ৰোগৰ পৰা নিৰাময় কৰিবৰ বাবে কোচ-ৰাজবংশী লোকসমাজত অতীতৰেপৰা প্ৰচলিত কেতবোৰ বিধান হ'ল-

ক) চাধাৰ (তাংখুৰ) পাত এখিলা ভালদৰে মোহাৰি গুৰি কৰি গৰু বা ছাগলীৰ পোকে ধৰা অংশত সুমুৱাই দিলে পোক মৰি শেষ হয়।

খ)	থেকেৰা টেঙা এটা পুৰি কলৰ পাতত লৈ নিমখেৰে সৈতে টোপোলা কৰি গৰুক খুৱালে এনে ৰোগৰ পৰা আৰোগ্য লাভ কৰে বুলি বিশ্বাস কৰে।

ইয়াৰ উপৰিও, কোচ-ৰাজবংশী লোকসমাজত প্ৰচলিত এটা লোকবিশ্বাস অনুসৰি বাঁহৰ ওলোটা চুঙা এটাত সেই অঞ্চলৰে তিনিজন ঢোকাৰ নাম কাগজত লিখি সুমুৱাই দি চুঙাটো গৰু বা ছাগলীৰ গলত মালাৰ দৰে পিন্ধাই দিয়ে। পিন্ধাই দিয়াৰ সময়ত মুখেৰে এনেদৰে উচ্চৰণ কৰিব লাগে-

'এই তিন ঢোকায়ে মাৰে গৰুৰ পোকা।' এনে কৰিলে গৰুৰ পোক মৰে বুলি লোকবিশ্বাসৰ প্ৰচলন আছে।

## ৪.৩৫ গৰুৰ ফুল নপৰা ঃ

গৰুৱে পোৱালি জগোৱাৰ সময়ত কেতিয়াৱা ফুলখন ওলাই নাহে। তেতিয়া কোচ-ৰাজবংশী লোকসকলে ঘৰুৱা বিধানেৰে ফুল ওলাই পৰাৰ ব্যৱস্থা কৰে। এই সময়ত গৰুটোক কুঁহিয়াৰৰ পাত খাবলৈ দিয়া হয়। পূৰঠ কোমোৰা সিদ্ধ কৰি খুৱালে ফুল সোনকালে পৰে বুলি বিশ্বাস কৰে। ইয়াৰ উপৰি, চৰাইয়ে পায়খানা কৰা পাত খুৱালেও ফুল সোনকালে পৰে বুলি বিশ্বাস কৰে। তদুপৰি, একে উশাহতে গৰুটোক চূণৰ ফোঁট পিন্ধালেও ফুল পৰে বুলি বিশ্বাস কৰে।

## ৪.৩৬ গৰুৰ পেট ফুলা ঃ

গৰুৰ পেট ফুলা ৰোগ হ'লে কোচ-ৰাজবংশী লোকসকলে ঘৰুৱাভাৱে চিকিৎসা কৰি এনে ৰোগৰ পৰা আৰোগ্য কৰা দেখা যায়। গৰুৰ পেট ফুলা ৰোগ তলত দিয়া বিধানসমূহ অৱলম্বন কৰা পৰিলক্ষিত হয়-

ক)	হোকাৰ পানী খুৱালে গৰুৰ পেট ফুলা ভাল হয় বুলি বিশ্বাস কৰে।

খ)	দেও ৰেচুন (নহৰু), কদম গছৰ কুমলীয়া পাত তিনিখন, চৰেৰ ঠেঙা বনৰ (মাটি কান্দুৰ বন) আগ তিনিখনমান থেতেলিয়াই ৰস উলিয়াই গৰুক খুৱালে এনে ৰোগ উপশম হয়।

গ)	ক'লা নিমখ গুৰি কৰি খুৱালেও গৰুৰ পেট ফুলা ৰোগৰ পৰা পৰিত্ৰাণ পায়।

## ৪.৩৭ গৰু-ছাগলীৰ ওকণি ঃ

গৰু-ছাগলীৰ ওকণি হ'লে কোচ-ৰাজবংশী লোকসকলে চাধা পাত চাৰিখান ৰাতি আধা লিটাৰমান পানীত তিয়াই থৈ পিছ দিনা সেই পানীখিনি গৰু ছাগলীৰ গোটেই দেহত লগাই দিব লাগে। এনে কৰিলে গৰু ছাগলীৰ গাৰ ওকণি মৰি যায়।

## ৪.৩৮ আওৰা ভাঙা ঃ

কেতিয়াবা অতিৰিক্ত পৰিশ্ৰম কৰিলে মানুহৰ গাৰ বিষ, জ্বৰ, চৰ্দিভাৰ, নাকেৰে তেজ বৈ আহে, খেকাৰত তেজ ওলায়; এনে ৰোগক কোচ- ৰাজবংশী ভাষাত আওৰা ভাঙা বুলি কোৱা হয়। এনে হ'লে কোচ- ৰাজবংশী লোকসকলে 'ঝাল' খায়। বিভিন্ন উপকৰণ যেনে- মনঘামাৰি, আদা, নহৰু, জালুক, সৰু জলকীয়া, নিমখ আদিৰে ঝাল তৈয়াৰ কৰি খায়। কিছুমানে পাৰৰ মাংসৰ সৈতে ঝাল তৈয়াৰ কৰি খায়। এনেদৰে ঝাল খালে ৰোগীজনে আৰাম অনুভৱ কৰে আৰু নাকেৰে, খেকাৰত তেজ ওলোৱা বন্ধ হয়।

## ৪.৩৯ বহুমূত্ৰ ৰোগ ঃ

বহুমূত্ৰ ৰোগ হ'লে ঘনাই প্ৰস্ৰাৱ কৰি থাকে, শৰীৰৰ ওজন কমি যায়, অলপতে ভাগৰ লাগে। কোনো লোক বহুমূত্ৰ ৰোগত আক্ৰান্ত হ'লে কোচ- ৰাজবংশী লোকসকলে লোক ঔষধৰ চিকিৎসাৰে এনে ৰোগ নিৰ্মূল কৰা দেখা যায়।

ক) বহুমূত্ৰ ৰোগ হ'লে নিত্য (নয়নতাৰা) ফুলৰ পাতৰ ৰস ৰাতিপুৱা খালি পেটত খাব লাগে।

খ) চেনী গছৰ পাত থেতেলিয়াই ৰস উলিয়াই আধাকাপ ৰাতিপুৱা খাব লাগে।

গ) নৰসিংহৰ পাত নিয়মীয়াকৈ খালেও এনে ৰোগৰ পৰা আৰোগ্য লাভ কৰিব পাৰি।

ঘ) মানিমুনিৰ পাত, কেঁচা হালধি থেতেলিয়াই ৰস উলিয়াই এগিলাছ ঠাণ্ডা পানীত মিহলাই খাব লাগে।

এনেদৰে কোচ-ৰাজবংশী লোকসমাজত বহুমূত্ৰ ৰোগৰ পৰা উপশম পাব পৰা বিভিন্ন লোকঔষধৰ প্ৰচলন অতীতৰেপৰা চলি আহিছে।

## ৪.৪০ ৰক্তস্ৰাৱ ঃ

ৰক্তস্ৰাৱ তিৰোতা মহিলাসকলৰ এবিধ বেমাৰ। কোনো ছোৱালী বা মহিলাৰ মাহেকীয়াৰ সময়ত বেছিকৈ ৰক্তপাত হোৱাকে ৰক্তস্ৰাৱ ৰোগ হোৱা বুলি কোৱা হয়। ৰক্তস্ৰাৱ একেৰাহে দীঘলীয়া সময়লৈকে হৈ থাকিলে ৰোগী একেবাৰে দুৰ্বল হৈ পৰে। কোচ- ৰাজবংশী লোকসকলে লোধ-ঔষধৰ চিকিৎসাৰে এনে ৰোগ নিৰাময় কৰা পৰিলক্ষিত হয়। এই ৰোগৰ লোকঔষধসমূহ হ'ল-

ক) বাগদাৰিয়া গছৰ পাতৰ ৰস এক চামুচ কৈ দিনত ২-৩ বাৰ খালে ৰক্তস্ৰাৱ ভাল হয় বুলি বিশ্বাস কৰে।

খ) কেঁচা হালধিৰ ৰস গৰম কৰি নিমখ গি দিনত ২-৩ বাৰ খালে এনে ৰোগৰ পৰা উপশম পাব পাৰি।

গ) আমৰ গুটি আৰু কেঁচা ভীমকলৰ বাকলি ভালদৰে বটি ৰস উলিয়াই গাখীৰৰ লগত মিহলাই অকণমান চেনি দি ৰাতিপুৱা খালীপেটত একেৰাহে ৪-৫ দিন খালে এনে ৰোগৰ পৰা আৰোগ্য লাভ কৰিব পাৰি।

এনেদৰে বিভিন্ন লোক ঔষধেৰে কোচ-ৰাজবংশী লোকসকলে ৰক্তস্ৰাৱ ৰোগ নিৰাময় কৰিবৰ বাবে লোকচিকিৎসা চলাই আহিছে।

## ৪.৪১ বগাস্ৰাৱ ঃ

বগাস্ৰাৱ ছোৱালী অথবা মহিলাসকলৰ এবিধ ৰোগ। এই ৰোগ হ'লে ছোৱালী অথবা মহিলাৰ যোনিয়েদি গাখীৰৰ দৰে এবিধ পদাৰ্থ ওলাই আহে আৰু ৰোগীজন দুৰ্বল হৈ পৰে। কোচ- ৰাজবংশী লোকসমাজত এনে ৰোগৰো লোকচিকিৎসা পৰিলক্ষিত হয়। বগাস্ৰাৱ ৰোগৰপৰা আৰোগ্য লাভ কৰিবৰ বাবে তলত উল্লেখ কৰাৰ দৰে লোকঔষধৰ ব্যৱহাৰ কৰা হয়-

ক) বগানাল গাছৰ পাত ৮-১০ খিলা আধা লিটাৰ পানীত ভালদৰে খচি লৈ তালমিচিৰি মিহলি কৰি ৰাতিপুৱা খালি পেটত খাব লাগে।

খ) হেমলতাৰ পাত থেতেলি লৈ আধা লিটাৰ পানীত মিহলি কৰি তালমিচিৰিৰ লগত খালে এনে ৰোগৰ পৰা উপশম পাব পাৰি।

গ) দুবৰি বন, আৰৈ চাউল, তালমিচিৰি ভালদৰে বটি লৈ পানীত মিহলাই খালে বগাস্রাৱৰ পৰা উপশম পাব পাৰি।

ঘ) উলটকমল পাতৰ ঠাৰি কেইডালমান ৰাতি এগিলাছ পানীত তিয়াই থৈ ৰাতিপুৱা সেইখিনি ভালদৰে পিহি লৈ তাত তালমিচিৰি মিহলাই খালী পেটত খালে এনে ৰোগ উপশম হয় বুলি বিশ্বাস কৰে।

ঙ) ক'লা তুলসীৰ গুটি এক চামুচ আগদিনা পানীত তিয়াই থৈ পিছদিনা তালমিচিৰিৰ লগত খালেও এনে ৰোগ ভাল হয় বুলি বিশ্বাস কৰে।

এনেদৰে, কোচ- ৰাজবংশী লোকসকলে বগাস্রাৱ ৰোগৰ ঘৰুৱাভাৱে চিকিৎসা কৰি আহিছে।

## ৪.৪২ পেট কামোৰণি ঃ

পেট কামোৰণি হ'লে কোচ- ৰাজবংশী লোকসকলে আমকাতাৰীৰ ৰস আধাকাপ গৰম কৰি নিমখ দি খায় আৰু ইয়াৰ পৰা আৰোগ্য লাভ কৰে। ইয়াৰ উপৰি পাতেগাজাৰ (দুপৰ টেঙা) পাত, ভেদাইলতাৰ পাতৰ ৰস খালেও পেট কামোৰণিৰ পৰা উপশম পাব পাৰি।

এইখিনিতে উল্লেখযোগ্য মহিলাসকলৰ মাহেকীয়া সময়ত কিছুমানৰ পেট কামোৰণি হোৱা দেখা যায়। এনে ক্ষেত্ৰত কোকৰাঝাৰ জিলাৰ তিতাগুৰী অঞ্চলৰ কোচ-ৰাজবংশী লোকসকলে তলত উল্লেখ কৰা ধৰণেৰে বিভিন্ন উপকৰণৰ ব্যৱহাৰেৰে পেট কামোৰণি ৰোগৰ পৰা আৰোগ্য লাভ কৰি আহিছে-

ক) পুৰণি মৰাপাটৰ গুটি

খ) পুৰণি আবিৰ,

গ) একচীয়া ৰেচুন

ঘ) সাগৰ ফেনা

ঙ) লাল ওৰাৰ ফুল

চ) লাল জবাৰ সিচঁ

ছ) চন্দন কাঠৰ গুটি ৫ টা

জ) চন্দন কাঠৰ গুড়ি

উক্ত উপকৰণবোৰ একেলগে ভালদৰে বটি লৈ বড়ি বনাই লয়। তাৰ পিছত চাৰিদিনত চাৰিটা বড়ি গা ধুই তিতা কাপোৰতে খাব লাগে এনে কৰিলে এনে ৰোগ ভাল হয় বুলি বিশ্বাস কৰে।

## ৪.৪৩ মেকুৰীয়ে কামুৰিলে ঃ

মেকুৰীয়ে কামুৰিলে কোচ-ৰাজবংশী লোকসমাজত লোকচিকিৎসা কৰা পৰিলক্ষিত হয়। ইয়াৰ বাবে ধতুৰা ফুল ৩ টা, গুৰ মিঠাই আৰু গাখীৰ তিনিওটা ভালদৰে মিহলি কৰি বড়ি তৈয়াৰ কৰে। এনে বড়ি তিনিদিন খাবলৈ দিয়ে। ইয়াৰ উপৰিও কিছুমানে চেনী জাৰি দিয়ে। এনে জৰা চেনী খালেও মেকুৰীয়ে কামুৰাৰ যি বীজাণু সেয়া নাশ হয় বুলি কোচ- ৰাজবংশী লোকসকলে বিশ্বাস কৰে।

## ৪.৪৪ ৰক্তহীনতা ঃ

কোনো লোক ৰক্তহীনতাত ভুগিলে কোচ-ৰাজবংশী লোকসকলে লোকচিকিৎসা হিচাপে ক'লা কচুৰ ঠাৰি আৰু পাতৰ আঞ্জা খাবলৈ দিয়ে। ইয়াৰ উপৰিও কেঁচা হালধিৰ ৰস, কেঁচা পিয়াজ আদি খালেও ৰক্তহীনতাৰ পৰা আৰোগ্য পায় বুলি বিশ্বাস কৰে।

## ৪.৪৫ বিছাই ডকা ঃ

বিছাই ডাকিলে কোচ-ৰাজবংশী লোকসকলে লোকঔষধ হিচাপে ক'লা কচুৰ ঠাৰি কাটি ডকা ঠাইত টপ টপ কৈ লগাই দিয়ে; এনে কৰিলে বিছাৰ শুংবিলাক ওলাই আহে বুলি বিশ্বাস কৰে।

ইয়াৰ উপৰি "*বিছা ডকা ঠাইখিনিত ধূনা গুড়ি কৰি প্ৰথমতে লগাই লয়। তাৰ পিছত কাঁচি এখনৰ আগটো জুইত গৰম কৰি তাত টপ টপ কৈ লগাই উঠায়। এনে কৰিলে বিছাৰ শুংবিলাক বাহিৰলৈ ওলায়।*"[১৪]

বিছা ডকাৰ লগে লগে কাণত চুণৰ ফোঁট লগালেও কিছু পৰিমাণে আৰোগ্য পায় বুলি কোচ-ৰাজবংশী লোকসকলে বিশ্বাস কৰে।

## ৪.৪৬ নখচুকীয়া ৰোগ ঃ

কেতিয়াবা কোনো লোকৰ হাত বা ভৰিৰ নখৰ কোণা বহি যায় আৰু এনেকৈ বেছিদিন থাকিলে নখৰ কোণা ফুলি যায়, বিষায়, টিপি দিলে তেজ পূজ ওলায়। এনে ৰোগৰ পৰা পৰিত্ৰাণ

পাবলৈ কোচ- ৰাজবংশী লোকসকলে লোকঔষধ হিচাপে জেতুকা পাত ভালদৰে বটি লৈ অলপমান গৰম কৰি লগাই থয়। এনেদৰে কেইদিনমান কৰিলে নখচুকীয়া ৰোগৰ পৰা আৰোগ্য লাভ কৰিব পাৰি। জেতুকাপাতৰ ঔষধি গুণে নখৰ ভিতৰত থকা বীজানু নাশ কৰি নখৰ ঘাঁ শুকোৱাত সহায় কৰে.

### ৪.৪৭ চুলি সৰা / অখি হোৱা (উফি হোৱা) ঃ

চুলি সকলো মানুহৰ কাৰণে এক ধুনীয়া অংশ যিয়ে সৌন্দৰ্যতা বৃদ্ধিত সহায় কৰে। কিন্তু কেতিয়াবা চুলিকোছা বিভিন্ন কাৰণত সৰিবলৈ আৰম্ভ কৰে। এনে ক্ষেত্ৰত কোচ-ৰাজবংশী লোকসকলে লোকঔষধ হিচাপে বিভিন্ন উপকৰণ প্ৰয়োগ কৰে-

ক) কেঁচা পিয়াজৰ ৰস নাৰিকল তেলৰ লগত মিহলাই লগালে চুলি সৰা কমি যায়।

খ) আদাৰ ৰস নাৰিকল তেলৰ লগত মিহলাই লগালেও অকালতে চুলি সৰা বন্ধ হয়।

কেতিয়াবা কিছুমান লোকৰ মূৰৰ চুলিৰ গুৰিৰ শুকান ছালবোৰ উঠি আহে। কোচ-ৰাজবংশী ভাষাত ইয়াক ‘অখি হোৱা’ বুলি কয়। অখি হ’লে নেমু টেঙাৰ ৰস আৰু নাৰিকল তেল মিহলাই লোকঔষধ ৰূপে ব্যৱহাৰ কৰা দেখা যায়। আজিকলি ছেম্পুতো পিয়াজৰ ৰস ব্যৱহাৰ কৰা দেখা যায়।

কোচ-ৰাজবংশী লোকসকলে অতীতৰে পৰা চুলিৰ সৌন্দৰ্য অটুট ৰাখিবৰ বাবে জেতুকাৰ পাত, জবা ফুলৰ পাত, ঔটেঙাৰ বীজ আদি ব্যৱহাৰ কৰা পৰিলক্ষিত হয়।

### ৪.৪৮ গৰুৰ গাখীৰ নোহোৱা ঃ

গাই গৰু পোৱালি জগোৱাৰ পিছত কেতিয়াবা গাখীৰ নোলোৱা হয়। তেনে ক্ষেত্ৰত কোচ-ৰাজবংশী লোকসলে গৰুৰ দানাৰ লগত কালজিৰা, কেঁচা হালধি আৰু লালী গুৰ মিঠাই মিহলাই খুৱায়; এনে কৰিলে গৰুৰ গাখীৰ ওলোৱা আৰম্ভ হয়।

### ৪.৪৯ গলত মাছৰ কাঁইট লগা ঃ

কোনো লোকৰ মাছৰ কাঁইট গলত লাগিলে কোচ-ৰাজবংশী লোকসমাজত অতীতৰেপৰা লোকচিকিৎসাৰ প্ৰচলন আছে। এনে হ’লে গলৰপৰা কাঁইট গুচাবলৈ কোকৰাঝাৰ জিলাৰ ডিমলগাঁওৰ

কোচ- ৰাজবংশী লোকসকলেৰ মাজত জৰা-ফুকা কৰা পৰিলক্ষিত হয়। তিনিদিন বাহীমুখে জাৰিব লাগে। ইয়াৰ উপৰিও চিৰাং জিলাৰ কিছু অঞ্চলত কল অথবা ভাত জাৰি দিয়ে। এনে জৰা কল অথবা ভাত খালে গলৰ লগা মাছৰ কাঁইট গুচে বুলি বিশ্বাস কৰে। বিজ্ঞানসম্মত ভাৱে কোনো প্ৰমাণ নাই যদিও পুৰণি কালৰে পৰা এনে লোকচিকিৎসাৰ পৰম্পৰা প্ৰচলন হৈ আহিছে।

## ৪.৫০ দাঁত সিৰসিৰোৱা ঃ

কেতিয়াৰা ঠাণ্ডা পানী খালে, মিঠা খালে কোনো লোকৰ দাঁত ঝিনঝিন কৰে অথবা দাঁত সিৰ্‌সিৰায়। এনে হ'লে কোচ-ৰাজবংশী লোকসমাজত অতীতৰেপৰা ঘৰুৱা পদ্ধতিৰে চিকিৎসা কৰা পৰিলক্ষিত হয়। উদাহৰণস্বৰূপে, বকুল ফুলৰ গছৰ বাকলি ৫ ইঞ্চিমান ২ লিটাৰ পানীত ভালদৰে উতলাই পানীখিনি অলপ ঠাণ্ডা কৰি কুলি কৰিলে এনে ৰোগৰপৰা উপশম পাব পাৰি।

ইয়াৰ উপৰি, কামিনী ফুলৰ পাত পানীত উতলাই অলপ ঠাণ্ডা কৰি সেই পানীৰে কুলি কৰিলে দাঁতৰ এনে বেমাৰ ভাল হয় বুলি কোচ-ৰাজবংশী লোকসকলে বিশ্বাস কৰে।

## ৪.৫১ নাৰীৰ প্ৰসৱকালীন চিকিৎসা ঃ

কোকৰাঝাৰ আৰু চিৰাং জিলাৰ কোচ-ৰাজবংশী লোকসমাজত অতীতৰেপৰা প্ৰচলিত নাৰীৰ সন্তান প্ৰসৱকালীন চিকিৎসা পদ্ধতিটো অতি উল্লেখযোগ্য লোকচিকিৎসা বুলি ক'ব পাৰি। সন্তান সম্ভৱা নাৰীৰ প্ৰসৱ বেদনা আৰম্ভ হোৱাৰ লগে লগে গাওঁৰে অভিজ্ঞতাসম্পন্ন 'ধাইক' (যি সকল মহিলাৰ সন্তান প্ৰসৱ সম্পৰ্কীয় জ্ঞান থাকে) মাতি আমি ঘৰুৱা চিকিৎসা পদ্ধতিৰে সন্তান প্ৰসৱ কৰোৱা হয়। "*সন্তাত যাতে কষ্ট নোপোৱাকৈ সোনকালে ভুমিষ্ঠ হয় তাৰ কাৰণে মাতৃগৰাকীৰ গাত তাবিচ-কবচ বা জাপ দিয়াটোও কোচ-ৰাজবংশী লোকসমাজত প্ৰচলন আছে। কেতিয়াবা সন্তান জন্মৰ লগে লগে এই জাপ খুলি দিয়ে। কিছুমান জাপ সন্তান জন্মৰ পিছতো গাত থাকে। সদ্য কেচুঁৱাৰ গাতো তাবিচ-কবচ দিয়াৰ নিয়ম আছে।*"[১৫]

গৰ্ভস্থ সন্তান যেতিয়া মাতৃগৰ্ভৰপৰা ভূমিষ্ঠ হয় তেতিয়া মাকৰ গৰ্ভ আৰু ভূমিষ্ঠ সন্তানৰ নাভিৰ লগত এডাল সংযোগী নাড় (নাড়ী) থাকে। সন্তান জন্মৰ কিছু সময় পাছতহে মাকৰ গৰ্ভৰ পৰা সম্পৰ্ণ অংশ বাহিৰলৈ ওলাই আহে। কোকৰাঝাৰ আৰু চিৰাং জিলাৰ কোচ-ৰাজবংশী

লোকসকলে ইয়াক 'ফুলসৰা' বুলি কয়। কেতিয়া প্ৰসৱৰ বহু সময়ৰ পিছতো সন্তানটি মৃতপ্ৰায় অৱস্থাত থাকে তেনে সময়ত প্ৰসূতিৰ ফুলখন ধাইসকলে এখন লোৰ কোৰত লৈ তাক আঙঠাৰ ওপৰত থৈ গৰম কৰে। এনে কৰিলে নৱজাতকৰ জীৱ ঘূৰি আহে বুলি কোচ-ৰাজবংশী লোকসমাজত জনবিশ্বাস আছে।

সন্তান প্ৰসৱৰ পাছতে মাক আৰু নৱজাতকৰ মাজত সংলগ্ন হৈ থকা 'নাড়ীডাল' কাটিবলৈ বাঁহৰ 'চুচ্‌কনি' (কেঁচা বাঁহৰ সেউজীয়া অংশটি পাতল কৰি কাটি ব্লেডৰ দৰে ধাৰ থকা এবিধ সামগ্ৰী) প্ৰয়োগ কৰে। নাড়ীডাল কাটিবৰ বাবে নৱজাতকৰ নাভিৰ দুই-তিনি আঙুলিৰ ওপৰত প্ৰথমে এৰাঁসূতাৰে টানকৈ বান্ধি লয় তাৰ পিছতহে কাটে। নাড়ীডাল কটাৰ পিছত তাত মাটিৰ বেৰৰ শুকান মাটি লগায় যাতে সোনকালে শুকায়। পূৰ্বৰেপৰা কোচ-ৰাজবংশী লোকসমাজত ধাইসকলে এনেদৰে নাড়ীছেদন কৰা প্ৰচলন আছে। এনেধৰণৰ 'চুচ্‌কনি' যথেষ্ট পৰিমাণে নিৰ্ভৰযোগ্য আৰু সংক্ৰমণহীন বুলি কোচ-ৰাজবংশী লোকসকলে বিবেচনা কৰিছিল।

ইয়াৰ উপৰি, নৱজাতকৰ নাভিৰ ওপৰত বান্ধি থোৱা অংশখিনি এসপ্তাহ-দহ দিনৰ ভিতৰত শুকায় আৰু সৰি পৰে। কোচ-ৰাজবংশী লোকসকলে ইয়াক 'নাস্তি সৰা' বুলি কয়। তেওঁলোক এই শুকান অংশটো ভালদৰে টোপোলা বান্ধি থৈ দিয়ে। কেতিয়াবা শিশুটি পেটৰ কামোৰণিত কান্দিলে সেই শুকান 'নাড়ৰ' অংশটো পানীত তিয়াই থয় আৰু তাৰে পানীখিনি শিশুটিক খুৱায়। এনেদৰে খুৱালে পেটৰ বিষৰ পৰা উপশম পায় বুলি কোচ-ৰাজবংশী লোকসকলে বিশ্বাস কৰে।

এনেধৰণৰ লোকাচাৰ আৰু লোকচিকিৎসাৰ প্ৰচলন কোচ ৰাজবংশী সমাজত অতীতৰেপৰা দেখিবলৈ পোৱা যায়।

## ৪.৫২ কোচ-ৰাজবংশী লোকসাহিত্যত লোকঔষধ তথা লোকচিকিৎসাৰ সমল ঃ

কোচ-ৰাজবংশী লোকসমাজত প্ৰচলিত লোকসাহিত্যতো লোকঔষধ তথা লোকচিকিৎসাৰ সমল পোৱা যায়। কোচ- ৰাজবংশী লোকসাহিত্যৰ অন্তৰ্গত প্ৰবাদ প্ৰবচন, শ্লোক আদিত লোকঔষধৰ উল্লেখ পোৱা যায়। উদাহৰণস্বৰূপে-

ক) "দাহ, মহ জক বেদেলাং দিঘিলা কেন্দাই,
বেদেলাং চুবিয়া দাৰুক দেয় কান্দেৰ মেন্দাই।"[১৬]

কেতিয়াবা কাণ ফুটা কৰাৰ পিছত ফুটাটোৰ ওচৰতে অলপ মাংস বাঢ়ি বাহিৰলৈ ওলাই আহে। এনেদৰে বাঢ়ি অহা মাংসখিনিক কোচ-ৰাজবংশী ভাষাত 'মেন্দাই' বুলি কয়। এনে হ'লে বেদেলাং (পানীৰ জোক) পুৰি ছাইখিনি লগালে মেন্দাই ভাল হয় বুলি কোচ-ৰাজবংশী লোকসকলে বিশ্বাস কৰে।

খ) "জাফৈ পোকা, কড়ি পোকা, হাতাধাকানি, আঙুলি টিকা,
জাফৈ পোকা দাৰুক লাগে চাওৰাৰ পেট ফিকা।"[১৭]

সৰু ল'ৰা ছোৱালীৰ পেট ফিকা ৰোগ হ'লে জাফৈ পোকা ঔষধ হিচাপে ব্যৱহাৰ কৰাৰ কথা উল্লেখ কৰিছে।

গ) "ভেল্লা, কাঠল, লেট্‌কো, আৰো বাৰীৰ এণ্ডা।
দাঁতাশিৰ দাৰুক হয় গাছেৰ নাম ভেণ্ডা।। "[১৮]

ভেণ্ডা গছৰ ঠাৰিৰে দাঁত ঘঁহিলে দাঁত সহজে বেমাৰ নধৰে আৰু দাঁতৰ সাধাৰণ ৰোগ ভাল হয় বুলি উল্লেখ পোৱা যায়।

ঘ) "শালমামা লেওয়া থাকে শাল গাছত।
অজ্ঞানীয়ে তাক লাগায় গৰ্ভ খালাশত।।"[১৯]

কোচ-ৰাজবংশী লোকসমাজত অতীতৰেপৰা অভিজ্ঞতা সম্পন্ন ধাইসকলে ঘৰুৱা পদ্ধতিৰে চিকিৎসা কৰি সন্তান প্ৰসৱ কৰোৱাইছিল। গৰ্ভস্থ সন্তান যাতে ভালদৰে প্ৰসৱ হয় তাৰ বাবে শালগছত থকা শালমামা নামৰ এবিধ লতা মাকৰ আঁঠুৰ ওপৰত বান্ধি দিয়ে। যেতিয়া সন্তান প্ৰসৱ হয় তেতিয়া লগে লগে খুলি দিয়ে।

ঙ) "পাদুৰি লেওৱা, তেজামণি, ভাবৰা, হেটেপটেপা।
চাওৰাখানে কপালত ফুটায় দাৰুক পেট ফিকা।"[২০]

সৰু ল'ৰা ছোৱালী পেটকা মোৰণি, পেট ফুলিলে 'পাদুৰিলেওৱা' (ভেদাইলতা), 'তেজামণি', 'ভাবৰা' 'হেটেপটেপা' আদি পিহি ৰস খুৱালে ভাল হয় বুলি কোচ-ৰাজবংশী লোকসকলে বিশ্বাস কৰে।

এনেদৰে উপৰোক্ত আলোচনাৰ পৰা ক'ব পাৰি যে কোচ-ৰাজবংশী লোকসমাজত অতীতৰেপৰা লোকঔষধ তথা লোকচিকিৎসাৰ প্ৰচলন আছে আৰু এইবোৰৰ উল্লেখ আমি কোচ-ৰাজবংশী লোকসাহিত্যতো পাওঁ।

লোকচিকিৎসা তথা লোকঔষধ কোচ-ৰাজবংশী লোকসকলৰ সামাজিক লোকাচাৰৰ এক গুৰুত্বপূৰ্ণ অংগ। কোকৰাঝাৰ আৰু চিৰাং জিলাৰ অন্তৰ্গত কোচ-ৰাজবংশী অধ্যুষিত অঞ্চলসমূহত প্ৰাচীন কালৰেপৰা বিভিন্ন ধৰণৰ ৰোগৰ পৰা পৰিত্ৰাণ তথা উপশম পাবলৈ ভিন্ন ধৰণৰ লোকচিকিৎসা কৰি আহিছে আৰু স্থানবিশেষে এনে চিকিৎসা এতিয়াও বিদ্যমান। লোকচিকিৎসাত প্ৰাকৃতিক জগতৰ বিভিন্ন সমল যেনে- গছ গছনিৰ পাত, বাকলি, লতা-তৃণাদিৰ পাত, ফল-ফুল, শিপা, কাঁইট, কেতবোৰ জীৱ-জন্তুৰ ছাল, প্ৰলেপ দিয়া, মূৰত ভোৰণ দিয়া আদি ভিন্ন ধৰণে ঔষধ তৈয়াৰ কৰা হয়। এনে ঔষধেৰে শিশুৰ পৰা আৰম্ভ কৰি বৃদ্ধাৱস্থাত হোৱা বিভিন্ন ধৰণৰ চিকিৎসা কোচ-ৰাজবংশী লোকসকল অতীতৰেপৰা কৰি আহিছে।

*****

# প্ৰসংগটীকা ঃ

| | | | |
|---|---|---|---|
| ১) | দ্বিজেন্দ্ৰ নাথ ভকত | ঃ | *ৰাজবংশী লোকসাহিত্য*, পৃঃ ১৩১ |
| ২) | তথ্যদাতা | ঃ | তীৰেণ ৰায়, পুৰুষ, ৭৮ বছৰ, লাটাগাঁও, কোকৰাঝাৰ। |
| ৩) | তথ্যদাতা | ঃ | পূৰ্বোক্ত ব্যক্তি |
| ৪) | তথ্যদাতা | ঃ | ছামাচৰণ ৰায়, পুৰুষ, ৮১বছৰ, তিতাগুৰী, কোকৰাঝাৰ। |
| ৫) | তথ্যদাতা | ঃ | পূৰ্বোক্ত ব্যক্তি |
| ৬) | তথ্যদাতা | ঃ | পূৰ্বোক্ত ব্যক্তি |
| ৭) | তথ্যদাতা | ঃ | পুৰেণ বৰ্মন, পুৰুষ, ৭০ বছৰ, উলুবাৰী, চিৰাং। |
| ৮) | তথ্যদাতা | ঃ | ছামাচৰণ ৰায়, পুৰুষ, ৮১বছৰ,তিতাগুৰী, কোকৰাঝাৰ। |
| ৯) | তথ্যদাতা | ঃ | খগেন চন্দ্ৰ ৰায়, পুৰুষ, ৭০বছৰ, কোচপাৰা, চিৰাং। |
| ১০) | তথ্যদাতা | ঃ | পূৰ্বোক্ত ব্যক্তি |
| ১১) | তথ্যদাতা | ঃ | পূৰ্বোক্ত ব্যক্তি |
| ১২) | তথ্যদাতা | ঃ | লক্ষেশ্বৰী বৰ্মন, মহিলা, ৭০ বছৰ, উলুবাৰী, চিৰাং। |
| ১৩) | তথ্যদাতা | ঃ | সনাতন ৰায়, পুৰুষ, ৯২ বছৰ, শিমলাগুৰী, কালীপুখুৰী, কোকৰাঝাৰ। |
| ১৪) | তথ্যদাতা | ঃ | লক্ষেশ্বৰী বৰ্মন, মহিলা, ৭০ বছৰ, উলুবাৰী, চিৰাং। |
| ১৫) | লাৱণ্য ভকত | ঃ | *ৰাজবংশী লোকসংস্কৃতি*, পৃঃ ৮২-৮৩ |
| ১৬) | অম্বিকাচৰণ চৌধুৰী | ঃ | *কোচ-ৰাজবংশী জনগোষ্ঠীৰ ইতিহাস আৰু সংস্কৃতি*, পৃঃ ২৯৩ |
| ১৭) | প্ৰাগুক্ত গ্ৰন্থ | ঃ | পৃঃ ২৯৩ |
| ১৮) | প্ৰাগুক্ত গ্ৰন্থ | ঃ | পৃঃ ২৯৬ |
| ১৯) | প্ৰাগুক্ত গ্ৰন্থ | ঃ | পৃঃ ২৯৭ |
| ২০) | প্ৰাগুক্ত গ্ৰন্থ | ঃ | পৃঃ ২৯৯ |